যিজন ব্যক্তিৰ দুজনী স্ত্ৰী আছে, যদি তেওঁ এজনীৰ প্ৰতি বেছি ঢাল খায়, তেন্তে কিয়ামতৰ দিনা তেওঁ এনেকুৱা অৱস্থাত উপস্থিত হ'ব যে, তেওঁৰ শৰীৰৰ এটা কাষ ঢাল খাই থাকিব।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ যিজন ব্যক্তিৰ দুজনী স্ত্ৰী আছে, যদি তেওঁ এজনীৰ প্ৰতি বেছি ঢাল খায়, তেন্তে কিয়ামতৰ দিনা তেওঁ এনেকুৱা অৱস্থাত উপস্থিত হ'ব যে, তেওঁৰ শৰীৰৰ এটা কাষ ঢাল খাই
থাকিব।
[رواه أبو داود والترمذي والنسائي وابن ماجه وأحمد] [ছহীহ[

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যাৰ একাধিক পত্নী আছে আৰু তেওঁ সিহঁতৰ মাজত সম্ভৱপৰ ন্যায় নকৰে, যেনে- ভৰণ-পোষণ, বাসস্থান, কাপোৰ কানি আৰু ৰাতি কটোৱাৰ ক্ষেত্ৰত সমতা নাৰাখে, তেন্তে কিয়ামতৰ দিনা সেই ব্যক্তিক এনেকুৱা শাস্তি বিহিব যে, তাৰ দেহৰ এটা অংশ ঢাল খাই থাকিব। কাৰণ সি পৃথিবীত অন্যায় কৰিছিল, এজনীক এৰি আনজনীৰ প্ৰতি বেছি ধাৱিত হৈছিল।

http://www.sunnah.global/hadeeth/as/show/58125